# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 27-03-2025
**Time:** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - - - -**

১। ধান আৰু সৰিয়হৰ কেন্দ্ৰীয় চৰকাৰৰ ন্যূনতম সমৰ্থন মূল্যৰ অতিৰিক্ত মূল্য অসমৰ কৃষকক প্ৰদান কৰিবলৈ অসম মন্ত্ৰীসভাৰ সিদ্ধান্ত।

২। দৰং জিলাত স্থাপন কৰিবলৈ লোৱা চিকিৎসা মহাবিদ্যালয়ৰ সৈতে বি এছ চি নাৰ্চিং কলেজ আৰু নাৰ্চিং বিদ্যালয় স্থাপন সিদ্ধান্ত।

৩। গুণোৎসৱ ২০২৫ৰ ফলাফল ঘোষণা। সামগ্ৰিকভাৱে গুণগত শিক্ষা প্ৰদানত শিৱসাগৰ জিলাৰ প্ৰথম স্থান অৰ্জন।

৪। অসমতো আজি বিশ্ব নাট্য দিৱস উপলক্ষে বিভিন্ন নাট্যানুষ্ঠানৰ  আয়োজন।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত লক্ষ্নৌ ছুপাৰ জায়েন্টছ, চানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন।

ooooo

অসম চৰকাৰে ৰাজ্যখনত স্বাস্থ্য আৰু শিক্ষা বিভাগৰ নিৰ্মাণৰ  কামসমূহ অধিক পাৰদৰ্শিতাৰে চোৱাচিতা কৰাৰ বাবে ৰাজ্যিক লোকনিৰ্মাণ বিভাগৰ গৃহ শাখাৰ পৰা স্বাস্থ্য আৰু শিক্ষা বিভাগৰ নিৰ্মাণকাৰ্য পৃথক কৰাৰ সিদ্ধান্ত লৈছে। আজি আবেলি দিশপুৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ডং  শৰ্মাই এই সিদ্ধান্তসমূহৰ বিষয়ে সদৰি কৰে। আজিৰ বৈঠকত পঞ্চায়তসমূহৰ  ৰাজহ সংগ্ৰহ ব্যৱস্থা শৃংখলিত কৰাৰ বাবে পঞ্চায়ত বিত্তীয় আইনৰ সংশোধনী ঘটোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। মন্ত্ৰীসভাই আজি কেন্দ্ৰীয় চৰকাৰে ধান আৰু সৰিয়হৰ ক্ষেত্ৰত নিৰ্দিষ্ট কৰা ন্যূনতম সমৰ্থন মূল্যতকৈ ৰাজ্যখনৰ কৃষকসকলক অতিৰিক্ত মূল্য প্ৰদানতো অনুমোদন জনায়। সেই অনুসৰি ধানৰ প্ৰতি কুইণ্টলত কেন্দ্ৰীয় চৰকাৰে নিৰ্দিষ্ট কৰা ২ হেজাৰ ৫৫০ টকাৰ অতিৰিক্ত হিচাপে অসমৰ কৃষকক ২৫০ টকা অধিক সমৰ্থন মূল্য লাভ কৰিব। সৰিয়হৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ সমৰ্থনমূল্য ৫ হাজাৰ ৫০০ টকাৰ উপৰি অতিৰিক্ত ৫০০ টকা অসমৰ কৃষকে লাভ কৰিব। দৰং জিলাত ৫৭২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া চিকিৎসা মহাবিদ্যালয়ৰ লগতে এখন বি এছ চি নাৰ্ছিং মহাবিদ্যালয় আৰু আন এখন জি এন এম নাৰ্ছিং স্কুল স্থাপনতো আজিৰ বৈঠকত অনুমোদন জনোৱা হয়। মন্ত্ৰীসভাৰ আন সিদ্ধান্ত সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে কয় ঃ

**বাইট**

ড০ শৰ্মাই কয়, যে জলবায়ু পৰিৱৰ্তন বিভাগটো এতিয়াৰে পৰা বন বিভাগৰ সৈতে সংলগ্ন কৰা, ৰাজ্যখনৰ প্ৰতিটো উন্নয়ন খণ্ডতে এটাকৈ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰা, মাহিলী পোন্ধৰ হাজাৰ টকালৈকে উপাৰ্জন কৰা লোকৰ ক্ষেত্ৰত বৃত্তিগত কৰ ৰেহাই দিয়া আৰু কেঁচা চাহপাতৰ ওপৰত থকা সকলো কৰ প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ততো অসম মন্ত্ৰীসভাই আজি অনুমোদন জনায়।

০০০০০

চলিত বছৰৰ গুণোৎসৱৰ ফলাফলসমূহ আজি ঘোষণা কৰা হয়। এইবাৰৰ গুণোৎসৱত শিৱসাগৰ জিলাই প্ৰথম, গোলাঘাট জিলাই দ্বিতীয় আৰু ডিব্ৰুগড় জিলাই তৃতীয় স্থান লাভ কৰিছে। একেদৰে স্বচ্ছ আৰু সুচাৰুৰূপে গুণোৎসৱৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ ক্ষেত্ৰত গোলাঘাট জিলাই প্ৰথম, কামৰূপ মহানগৰে দ্বিতীয় আৰু যোৰহাট জিলাই তৃতীয় স্থান লাভ কৰিছে। এইবাৰ ১৩ হাজাৰ ৩০০ খন বিদ্যালয়ে এ প্লাছ্ গ্ৰেড আৰু ১৩ হাজাৰ ৯৯২ খন বিদ্যালয়ে এ গ্ৰেড লাভ কৰিছে। একেদৰে ১৪ লাখ ৬৪ হাজাৰ ৮০৮ গৰাকী শিক্ষাৰ্থীয়ে এ প্লাছ্ গ্ৰেড আৰু ১২ লাখ ছহেজাৰ ৪৪২ গৰাকী শিক্ষাৰ্থীয়ে এ গ্ৰেড লাভ কৰিছে।

এই উপলক্ষে আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোৱা বছৰৰ গুণোৎসৱত এ প্লাছ্ গ্ৰেড লাভ কৰা ১১ হাজাৰ ৫৯৪ খন বিদ্যালয়ক উৎকৃষ্টতাৰ স্বীকৃতি আৰু ২৫ হাজাৰ টকাকৈ উদ্দগনিমূলক অনুদান আগবঢ়ায়। অনুষ্ঠানত আৰোহণ কাৰ্যসূচীৰ অধীনত ৪ হাজাৰ ৩২০ গৰাকী শিক্ষাৰ্থীক টেবলেট প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত এইবাৰৰ গুণোৎসৱত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক প্ৰদৰ্শন উন্নত কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আলোকপাত কৰে।

**বাইট**

উল্লেখযোগ্য যে ৰাজ্যৰ প্ৰতিগৰাকী শিক্ষাৰ্থীক গুণগত শিক্ষা দানৰ সংকল্পৰে চৰকাৰে ২০১৭ চনৰ পৰা অনুষ্ঠিত কৰি অহা গুণোৎসৱত এইবেলি ৪৪ হাজাৰ ৭৭ খন বিদ্যালয়ৰ ৩৮ লাখ ৯৮ হাজাৰৰো অধিক শিক্ষাৰ্থীৰ বিদ্যায়তনিক মূল্যায়ন কৰা হৈছে।

গুণোৎসৱৰ প্ৰদৰ্শনত শীৰ্ষ জিলা আৰু গুণগত মানৰ ঐক্যসাজ যোগানত শ্ৰেষ্ঠ জিলা হিচাপে বিবেচিত হোৱাৰ পাছত আজি শিৱসাগৰ জিলাৰ বিদ্যালয়সমূহত আনন্দমুখৰ পৰিৱেশ বিৰাজ কৰিছে। জিলাখনৰ ৪৬৩ খন বিদ্যালয়ে এ প্লাছ্ গ্ৰেড আৰু ১৯২ খন বিদ্যালয়ে এ গ্ৰেড লাভ কৰিছে। জিলাখনৰ এই সাফল্য সন্দৰ্ভত শিৱসাগৰ লক্ষ্মীনাথ বেজবৰুৱা শিশু ভৱনত প্ৰধান শিক্ষক ৰনজিৎ চুতিয়াই এনেদৰে কয় ঃ

**বাইট**

এইবাৰৰ গুণোৎসৱত ধেমাজি জিলাৰ ৪১৬ খন বিদ্যালয়ে এ প্লাছ্ গ্ৰেড আৰু ৩৫৬ খন বিদ্যালয়ে এ গ্ৰেড লাভ কৰিছে। জিলাখনত এইবাৰ এহেজাৰ ৪৫৫ খন বিদ্যালয়ৰ ৯১ হাজাৰ ৩৪৭ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বিদ্যায়তনিক মূল্যায়ন কৰা হৈছিল।

০০০০০

আজি বিশ্ব নাট্য দিৱস। ১৯৬১ চনত আজিৰ দিনটোৰ পৰা আন্তঃৰাষ্ট্ৰীয় নাট্য প্ৰতিষ্ঠানে ইউনেস্কোৰ সহযোগত নাট্যকলা আৰু সৃজনীশীলতাক উদ্‌যাপনৰ বাবে এই দিৱস পালনৰ সিদ্ধান্ত লোৱা হৈছিল। বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি বিশ্ব নাট্য দিৱস উপলক্ষে বিভিন্ন নাট্যনুষ্ঠানৰ আয়োজন কৰা হৈছে। দিৱস উপলক্ষে সমাহাৰ নাট্য গোষ্ঠীয়ে আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ

আন্তৰ্জাতিক প্ৰেক্ষাগৃহত ড° সীতানাথ লহকৰ ৰচিত আৰু পৰিচালিত ‘ন্যায়’ নামৰ নাটকখন মঞ্চস্থ কৰিছে। বিশিষ্ট লেখক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অৰণী কুমাৰ ভাগৱতীয়ে নাটকখন উদ্বোধন কৰে।

যোৰহাট থিয়েটাৰ প্ৰেক্ষাগৃহত আজি বিশ্ব নাট্য দিৱস উপলক্ষে প্ৰসিদ্ধ নাট্যকাৰ প্ৰয়াত অৰুণ শৰ্মাৰ চিত্ৰলেখা নাটকখন মঞ্চস্থ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিশ্ব নাট্য দিৱস উপলক্ষে নাট্য কলাৰ সৈতে জড়িত প্ৰতিগৰাকী সংস্কৃতিৰ সাধকক আন্তৰিক শুভকামনা কৰিছে। নাট্যকলাৰ জৰিয়তে সম্ভাৱনাময় এখন অনন্য সমাজ গঢ় লৈ উঠে বুলি তেওঁ মত প্ৰকাশ কৰে।

০০০০০

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ মাজত তিনিটা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলে ব্যাপক ৰূপত প্ৰচাৰ অব্যাহত ৰাখিছে। পৰিষদৰ অন্তৰ্গত গোৱালপাৰা আৰু কামৰূপ জিলাৰ নিৰ্বাচন হ'বলগীয়া ৩৩ টা সমষ্টিৰ বাবে আজিও কেইবাগৰাকীও নেতাই প্ৰচাৰ অভিযানত অংশ লয়। সমষ্টিকেইটাত বিজেপি, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু অসম গণ পৰিষদ দলে ঐক্যবদ্ধভাৱে প্ৰচাৰ অভিযান চলাই আছে। কংগ্ৰেছ দলৰ লগতে অন্যান্য ৰাজনৈতিক দল আৰু নিৰ্দলীয় প্ৰাৰ্থীয়েও প্ৰচাৰ তীব্ৰ কৰি তুলিছে। জ্যেষ্ঠ বিজেপি নেতা তথা মন্ত্ৰী অশোক সিঙহালে গোৱালপাৰা জিলাত প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। মন্ত্ৰীগৰাকীয়ে আজি দদান পৰিষদীয় সমষ্টিত এন ডি এৰ প্ৰাৰ্থী দিবাকৰ ৰাভাৰ হৈ প্ৰচাৰ চলোৱাৰ লগতে আন চাৰিটা সমষ্টিটো মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন মন্ত্ৰী ৰিপুন বৰাইও আজি গোৱালপাৰা জিলাত নিজৰ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত অংশ লয়।

পৰিষদৰ অন্তৰ্গত কামৰূপ জিলাৰ ১৪টা সমষ্টিৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈছে। বিজেপি আৰু কংগ্ৰেছ দলে আজি জিলাখনৰ নিৰ্বাচন হ'বলগীয়া সমষ্টি কেইটাত প্ৰচাৰ অভিযানত অংশ লয়।

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদত গোৱালপাৰা জিলাত ২০টা আৰু কামৰূপ গ্ৰাম্য জিলাত ১৬টা পৰিষদীয় সমষ্টি আছে। ইয়াৰে গোৱালপাৰা জিলাত এটা আৰু কামৰূপ জিলাৰ দুটা সমষ্টিত এন ডি এৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাৰ পৰিপ্ৰেক্ষিতত মুঠ ৩৩টা সমষ্টিৰ বাবে ৯৬গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০

এইমছ গুৱাহাটীত আজি **চেণ্টাৰ ফৰ এক্সপিৰিয়েন্সিয়েল লাৰনিং এণ্ড ছিমুলেছন** নামৰ এটা আধুনিক চিকিৎসা প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰা হয়। এইমছ গুৱাহাটীৰ সঞ্চালক ডাঃ অশোক পৌৰাণিকে কেন্দ্ৰটো মুকলি কৰে। কেন্দ্ৰটো উদ্বোধন কৰি দিয়া ভাষণত সঞ্চালকগৰাকীয়ে কয়, যে এই কেন্দ্ৰৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ সকলো চিকিৎসক, নাৰ্চ আৰু স্বাস্থ্যকৰ্মীৰ উপৰি সাধাৰণ শ্ৰেণীৰ লোকেও চিকিৎসা প্ৰণালী সন্দৰ্ভত প্ৰশিক্ষণ ল'ব পাৰিব। কেন্দ্ৰটোত চিকিৎসা গ্ৰহণ কৰি থকা ছাত্ৰ-ছাত্ৰীসকলে তাৎক্ষণিকভাৱে বিভিন্ন দিশত প্ৰশিক্ষণ গ্ৰহণ কৰিব পাৰিব বুলি তেওঁ কয়।

*(বাইট ঃ ডাঃ অশোক পৌৰাণিক)*

০০০০০

দৰং জিলাৰ মঙলদৈত আজিৰে পৰা ৪ দিনীয়া কাৰ্যসূচীৰে একবিংশ ৰাজ্যিক শিশু বিজ্ঞান সমাৰোহ অনুষ্ঠিত হৈছে। দৰং জিলা জ্ঞান বিজ্ঞান সমিতি আৰু মঙলদৈ মহাবিদ্যালয়ৰ আতিথ্যত জ্ঞান বিজ্ঞান সমিতি অসমৰ এই সমাৰোহত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ শিশুসকলে অংশ লৈছে। আজি উদ্বোধনীৰ দিনা ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা অহা শিশু প্ৰতিনিধি আৰু নাম পঞ্জীয়ন আৰু দল গঠনৰ পাছত প্ৰতিনিধিসকলক বিভিন্ন গোটত বিভক্ত কৰি বিজ্ঞানৰ মজা, অংকৰ খেল, কল্পনাৰ সৃষ্টিশীলতাকে ধৰি কেইবাটাও বিষয়ত **শিকন কোন** শীৰ্ষক অনুষ্ঠান ৰূপায়ণ কৰা হয়। সমাৰোহৰ অংশ হিচাপে আয়োজিত গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰে মঙলদৈৰ বিধায়ক বসন্ত দাসে। একেদৰে দৰং জিলা জ্ঞান বিজ্ঞান সমিতিৰ মুখ্য উপদেষ্টা, প্ৰবীন শিক্ষাবিদ ড° আমানুল হকে গুৱাহাটীস্থিত ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰৰ ভ্ৰাম্যমান বিজ্ঞান প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে। বিয়লিৰ ভাগত অতিথি শিশুৰ মিলন পৰ্ব অনুষ্ঠান অনুষ্ঠিত হয়। কাইলৈ সামুহিক সন্মিলন, বিজ্ঞান জনপ্ৰিয়কৰণত বিজ্ঞান প্ৰযুক্তিৰ সঠিক ব্যৱহাৰ শীৰ্ষক আলোচনা চক্ৰ, অসম গৌৰৱ বঁটাপ্ৰাপক বিশিষ্ট উদ্যোগপতি অনুপম ডেকাৰ সৈতে মত বিনিময়, সাংস্কৃতিক অনুষ্ঠান আৰু আকাশ চাও আহা শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি আমাৰ সংবাদাদাতাই জনাইছে।

০০০০০

আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তি অৰ্জনৰ গোচৰত গ্ৰেপ্তাৰ হোৱা ডিফু চিকিৎসা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ডাঃ মৃদুপৱন নাথৰ জামিন আজি গুৱাহাটীৰ বিশেষ ন্যায়াধীশৰ আদালতে নাকচ কৰে। ইয়াৰ ফলত অভিযুক্ত ডাঃ নাথ কাৰাগাৰৰ পৰা মুকলি হোৱা পথ ৰুদ্ধ হৈছে। উল্লেখযোগ্য যে, চৰকাৰী চাকৰিৰ লগতে গুৱাহাটীত নাৰ্চিং হোম চলাই থকা ডাঃ নাথে আয়তকৈ অধিক সা-সম্পত্তি অৰ্জন কৰা বুলি মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে তথ্য লাভ কৰিছিল। এই তথ্য প্ৰমাণৰ ভিত্তিত তদাৰকী কোষে ডাঃ নাথৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে। এই গোচৰতে আজি বিশেষ ন্যায়াধীশৰ আদালতে তেওঁৰ জামিন নাকচ কৰে। মুখ্যমন্ত্ৰী তদাৰকী কোষে ডাঃ নাথৰ বিৰুদ্ধে ভুৱা মৰণোত্তৰ প্ৰতিবেদন দাখিল কৰাৰো তথ্য লাভ কৰিছে।

০০০০০

অসম ৰাজ্যিক মানৱাধিকাৰ আয়োগে চিকিৎসালয়ৰ গাফিলতিত নিজ কন্যাৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সুৰজিত কুমাৰ ভাগৱতীয়ে দাখিল কৰা এটা অভিযোগ সংক্ৰান্তত নগাঁৰৰ জিলা আয়ুক্তক দণ্ডাধীশ পৰ্যায়ৰ তদন্ত চলোৱাৰ নিৰ্দেশ দিছে। ২০২৪ চনৰ ১৬ ডিচেম্বৰত তেওঁৰ কন্যা অংগনা ভৰদ্বাজৰ নগাঁৰৰ কপিলী হাস্পতাল আৰু নগাঁও চিকিৎসা মহাবিদ্যালয়ৰ গাফিলতিত অকালতে মৃত্যু মুখত পৰা ঘটনা সংক্ৰান্তত অধ্যাপক ভাগৱতীয়ে যোৱা ১৮ ফেব্ৰুৱাৰীত অসম মানৱাধিকাৰ আয়োগত গোচৰ তৰিছিল।

০০০০০

গুৱাহাটী মহানগৰীৰ সমীপৰ সোণাপুৰৰ যোগদলত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত তিনিজন যুৱকৰ মৃত্যু হয়। নিহত যুৱককেইজন মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ মুস্তাক আহমেদ, ছাকিল আহমেদ আৰু ছৰিফুল ইছলাম বুলি জানিব পৰা গৈছে। ঈদৰ বাবে নিজৰ দোকানৰ সামগ্ৰী ক্ৰয় কৰিবলৈ দোকমোকালিতে এই যুৱক তিনিজন মৈৰাবাৰীৰ পৰা গুৱাহাটী মহানগৰীলৈ এখন বাহনেৰে ৰাওনা হৈছিল। সোণাপুৰৰ যোগদলত তেওঁলোকৰ বাহনখনে ৰাষ্ট্ৰীয় ঘাইপথত ৰখাই থোৱা এখন ট্ৰাকৰ পিছফালে খুন্দা মৰাৰ ফলত যুৱক তিনিজনৰ মৃত্যু হয়। মৃত যুৱক তিনিজনক মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

ooooo

শ্ৰীভূমি আৰক্ষীয়ে আজি অনলাইন ট্ৰেডিঙৰ নামত বিত্তীয় অনিয়মত লিপ্ত হোৱা ছাকিব আৰু জাবিৰ নামৰ দুজন লোকক কলকাতাত গ্ৰেপ্তাৰ কৰি জিলাখনলৈ লৈ আহিছে। বিত্তীয় কেলেংকাৰীৰ মূল অভিযুক্ত এই দুজন লোকে অনলাইন ট্ৰেডিঙৰ নামত কেইবা কোটি টকা গ্ৰাহকৰ পৰা সৰকাই পলায়ন কৰিছিল। ভুক্তভোগীৰ অভিযোগৰ ভিত্তিত শ্ৰীভূমি আৰক্ষীয়ে নিজাববীয়াকৈ গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰাৰ পাছত কলকাতাৰ পূব যাদৱপুৰ থানাৰ অন্তৰ্গত মুকুন্দপুৰত অভিযান চলাই তেওঁলোকক গ্ৰেপ্তাৰ কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তৰাষ্ট্ৰীয় ষ্টেডিয়ামত চান ৰাইজাৰ্ছ হায়দৰাবাদ লক্ষ্ণৌ ছুপাৰ জায়েণ্ট্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। এইবাৰৰ আই পি এলত চান ৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমখন খেলত জয় লাভ কৰাৰ বিপৰীতে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ নিজৰ প্ৰথমখন খেলত পৰাজিত হৈছে।

ooooo

সমাপ্ত